**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
**-----------------------------**

ৰাজ্য চৰকাৰে ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ মেগাৱাট সৌৰশক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ৰাজ্যখনৰ বৰ্ধিত ঘৰুৱা আৰু ঔদ্যোগিক চাহিদা পূৰণৰ বাবে ৰাজ্যত স্বচ্ছ শক্তি উৎপাদন বৃদ্ধিৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে জানিবলৈ দিছে। তেওঁ লগতে শক্তিৰ সঞ্চয় তথা বিতৰণ উন্নত কৰাতো গুৰুত্ব আৰোপ কৰিছে বুলি প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্যত অহা ১৩ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বাবে এতিয়ালৈকে ৪৯ লাখতকৈও অধিক পঞ্জীয়ন সম্পন্ন হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খেলৰ প্ৰতি থকা এনেধৰণৰ অভূতপূৰ্ব সঁহাৰিয়ে অসমৰ ক্ৰীড়া সংস্কৃতিক উৎসাহ যোগোৱাৰ  লগতে ৰাজ্যৰ ক্ৰীড়াৰ ক্ষেত্ৰৰ বিকাশক প্ৰতিফলিত কৰিছে বুলি সামাজিক মাধ্যমযোগে অৱগত কৰিছে। এইবাৰৰ খেল মহাৰণ প্ৰতিযোগিতা এথলেটিকছ্, ফুটবল, ভলীবল, দবা, সাঁতোৰ, কাবাডী আৰু চাইক্লিং এই ৭টা শাখাত অনুষ্ঠিত হ'ব। খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বাবে পুৰুষৰ সমানে মহিলাসকলেও নিজৰ নাম পঞ্জীয়নভুক্ত কৰিছে।

খেল মহাৰণৰ সন্দৰ্ভত নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ গৰাকী তথা জনপ্ৰিয় অভিনেতা **জন আব্ৰাহমে** এনেদৰে কয় -

**বাইট**

০০০০০০০

নামেৰি ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প ২০২৪-২৫ বৰ্ষৰ বাবে আজিৰে পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰি ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে ইতিমধ্যে এই বিষয়ে জানিবলৈ দিছে।

০০০০০০০

জনসাধাৰণে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উৎসাহ-উদ্দীপনাৰে পালন কৰাৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। ইতিমধ্যে দোকান-পোহাৰসমূহত মাটিৰ চাকিৰ লগতে বিভিন্ন বিজুলী বাতি আদিকে ধৰি অন্যান্য প্ৰয়োজনীয় পূজাৰ উপকৰণ আৰু সা-সামগ্ৰীৰে ক্ৰয় কৰাৰ বাবে জনসাধাৰণে বজাৰত ভিৰ কৰিছে। সমান্তৰালকৈ কালী পূজাৰ বাবে বিভিন্ন মন্দিৰসমূহত ব্যাপক প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। ইপিনে, প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডে সকলোকে সেউজ দীপাৱলী উদযাপন কৰিবলৈ আহ্বান জনাইছে।

আনহাতে, ৰাম জনমভূমি মন্দিৰত প্ৰথম দীপাৱলী উৎসৱৰ আয়োজন প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অযোধ্যাত ২৮ লাখ বন্তি প্ৰজ্বলনেৰে নতুন বিশ্ব অভিলেখ গঢ়াৰ প্ৰস্তুতিও সম্পূৰ্ণ হোৱা বুলি জানিব পৰা গৈছে। ৰাম মন্দিৰ চৌহদত এইবাৰ উদযাপন কৰিবলগীয়া দীপাৱলী উৎসৱ বিশেষভাৱে ব্যতিক্ৰম হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। অযোধ্যাত নৱনিৰ্মিত ৰাম মন্দিৰৰ মহাঅভিষেকৰ পাছৰ

**দীপোৎসৱ ২০২৪** শিৰোনামেৰে উদযাপন কৰিবলগীয়া এই প্ৰথমটো দীপাৱলীৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰিব। সৰযু নৈৰ পাৰত জ্বলোৱা ২৮ লাখ চাকিৰে ৰাম মন্দিৰ পোহৰাই তোলা হ'ব বুলি প্ৰকাশ কৰা হৈছে। ইপিনে, কালিৰে পৰা ১ নৱেম্বৰৰ মাজনিশালৈ মন্দিৰ আৰু ভৱন ভক্ত দৰ্শনাৰ্থীসকলৰ বাবে মুকলি থাকিব বুলি শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰ পৰিচালনা সমিতিয়ে জানিবলৈ দিছে।

০০০০০০০

২০০৮ চনৰ ৩০ অক্টোবৰত সন্ত্ৰাসবাদীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ আজি ১৬ বছৰ সম্পূৰ্ণ হৈছে। গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰোডত সংঘটিত বোমা বিস্ফোৰণত বহু লোকে প্ৰাণ হেৰুৱাইছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সন্ত্ৰাসবাদীৰ দ্বাৰা সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছে। মুখ্যমন্ত্ৰী শৰ্মাই সেই শোকাৱহ দিনটোৰ কথা সুঁৱৰি এনেধৰণৰ ঘটনা কোনো ঠাইতে কেতিয়াও পুনৰ সংঘটিত হ'ব নালাগে বুলি প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰ সন্থাইও আজি ৰাজ্যজুৰি বোমা বিস্ফোৰণত নিহত সকললৈ বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনাব।

০০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি আহমেদাবাদত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডক ৬ উইকেটত পৰাস্ত কৰি ২-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে। ভাৰতে ২৩৩ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি  স্মৃতি মান্ধানাৰ আকৰ্ষণীয় বেটিঙৰ সহায়ত ৪৪ অভাৰ আৰু দুটা বলত চাৰিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। স্মৃতি মান্ধানাই ১২২টা বলত ১০০ ৰাণ কৰে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩২ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ দীপ্তি শৰ্মাই তিনিটা উইকেট দখল কৰে। দিপ্তী শৰ্মাক প্লেয়াৰ অব দ্য চিৰিজ আৰু স্মৃতি মান্ধানাক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰতে শৃংখলাৰ প্ৰথমখন খেলত জয়ী হোৱাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটোৱে বিজয় সাব্যস্ত কৰিছিল।

০০০০০০০

সমাপ্ত